# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 13-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই লহ্‌ৰী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজি পুহ মাহৰ পূৰ্ণিমা তিথিৰ দিনা অমৃত স্নান আৰম্ভ হ'ব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু আৰু কাশ্মীৰৰ সোণামাৰ্গ সুৰংগ প্ৰকল্প উদ্বোধন কৰিব।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি দুদিনীয়া ভ্ৰমণসূচীৰে স্পেইনলৈ ৰাওনা হ'ব।

**আৰু**

৫। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি প্ৰথমবাৰৰ বাবে খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই লহৰী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। কাইলৈ উদযাপন কৰিবলগীয়া মকৰসংক্ৰান্তি, পুংগল আৰু মাঘ বিহু উপলক্ষেও তেওঁ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে এই উৎসৱবোৰ হৈছে দেশৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক। ই সকলোৰে জীৱনলৈ আনন্দৰ লহৰ কঢ়িয়াই আনে। প্ৰকৃতিৰ লগত মানুহৰ নীবিড় সম্পৰ্কৰ প্ৰতিফলন কৰি দেশৰ বিভিন্ন প্ৰান্তত এই উৎসৱসমূহ পৰম্পৰাগতভাৱে আৰু উলহ-মালহেৰে উদযাপন কৰা হয় বুলিও তেওঁ উল্লেখ কৰে। এই উৎসৱ কৃষি কৰ্মৰ সৈতে জড়িত বুলি প্ৰকাশ কৰি তেওঁ দেশৰ জনসাধাৰণক অক্লান্তভাৱে খাদ্য শস্যৰ যোগান ধৰা কৃষকসকলৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰে। এই উৎসৱে সকলোৰে জীৱনলৈ সুখ আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ আশা ব্যক্ত কৰি তেওঁ কয়, যে দেশৰ উন্নয়নৰ বাবে সকলোৱে একেলগে কাম কৰি যাব।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে এই উৎসৱ হৈছে পৰম্পৰাগত শস্য চপোৱাৰ উৎসৱ। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এটা বাৰ্তাত কয়, যে লহৰী উৎসৱত প্ৰকৃতিৰ দান আৰু কৃষকৰ কঠোৰ শ্ৰম আৰু নিষ্ঠাক উদযাপন কৰা হয়। এই উৎসৱে সকলোৰে ঘৰলৈ সুখ-আনন্দ আৰু সমৃদ্ধিৰ লগতে দেশৰ বাবে বিকাশ আৰু উন্নয়নৰ বাৰ্তা কঢ়িয়াই আনিব বুলিও শ্ৰীবিৰলাই আশা ব্যক্ত কৰে।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজি পুহ মাহৰ পূৰ্ণিমা তিথিৰ দিনা অমৃত স্নান আৰম্ভ হ'ব। ২৬ ফেব্ৰুৱাৰীলৈকে চলিবলগীয়া এই কুম্ভমেলাত অংশগ্ৰহণ কৰিবলৈ দেশৰ লাখ লাখ ভক্ত, দৰ্শনাৰ্থী প্ৰয়াগৰাজত উপস্থিত হৈছে। চৰকাৰেও নিশ্চিদ্ৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। এই মহাকুম্ভ ২০২৫

চনৰ বিশ্বৰ সৰ্ববৃহৎ সাংস্কৃতিক আৰু আধ্যাত্মিক সমাৱেশ হ'ব। এই সমাৱেশত ৪৫ কোটিৰো অধিক ভক্তই অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। ভাৰতীয় ৰে'ল বিভাগেও এই মহাকুম্ভৰ বাবে ৩০০ খন বিশেষ ৰে'লকে ধৰি ১০ হাজাৰৰো অধিক ৰে'লগাড়ী চলাচল কৰোৱাৰ ব্যৱস্থা কৰিছে।

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি কয়, যে ভক্তসকলৰ সুবিধাৰ্থে ৰে'ল বিভাগে আন্তঃগাঁথনি, নতুন প্লেটফৰ্ম, ৰে'লপথৰ দ্বৈতকৰণ আৰু অন্যান্য সুবিধা প্ৰদান কৰিবৰ বাবে বিগত ৩ বছৰত ৫ হাজাৰ কোটি টকা বিনিয়োগ কৰিছে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে প্ৰয়াগৰাজ জংচনত এটা বিশেষ নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। এই নিয়ন্ত্ৰণ কক্ষৰ দ্বাৰা ২৪ ঘণ্টাই সকলোবোৰ ৰে'লগাড়ীৰ চলাচল নিৰীক্ষণ কৰা হ'ব।

এই মেলাত অংশগ্ৰহণ কৰিবলগীয়া তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ অৰ্থে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সাংস্কৃতিক মন্ত্ৰালয়ে দেশৰ চহকী আৰু প্ৰাণবন্ত সংস্কৃতিক তুলি ধৰাৰ বাবে প্ৰয়াগৰাজত কলাগ্ৰামৰ আয়োজন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু আৰু কাশ্মীৰৰ সোণামাৰ্গ সুৰংগ প্ৰকল্প উদ্বোধন কৰিব। এই সুৰংগটোৱে শ্ৰীনগৰ, সোণামাৰ্গ আৰু লেহৰ মাজত সকলো বতৰতে সুচল যাতায়াত স্থাপন কৰাত সহায় কৰিব। এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে নিৰ্মাণকাৰ্যত জড়িত শ্ৰমিকসকলক সাক্ষাৎ কৰি এই কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদানক স্বীকৃতি জনাব। দুহেজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই সোণামাৰ্গ সুৰংগ প্ৰকল্প নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পটোৱে সোণামাৰ্গৰ মূল সুৰংগ, সুৰংগৰ প্ৰস্থান পথ আৰু সুৰংগলৈ যাবলগীয়া পথসমূহো সামৰি লৈছে। এই সুৰংগই লাডাখ অভিমুখী দুৰ্গম পথ ভূমিস্খলন আৰু তুষাৰপাতৰ সমস্যাৰ সন্মুখীন নোহোৱাকৈ সুৰক্ষিতভাৱে অতিক্ৰম কৰাত সহায় কৰিব। ইয়াৰ ফলত সোণামাৰ্গ গোটেই বছৰটো পৰ্যটকৰ বাবে আকৰ্ষণীয় স্থান হৈ থাকিব আৰু শীতকালীন পৰ্যটন, দুঃসাহসিক ক্ৰীড়া আদিৰ উন্নীতকৰণৰ ফলত স্থানীয় লোকসকলৰ জীৱিকাৰ ক্ষেত্ৰতো সহায় হ'ব। এই সুৰংগই বাহনসমূহৰ গতিবেগ প্ৰতিঘণ্টাত ৩০ কিলোমিটাৰৰ পৰা ৭০ কিলোমিটাৰলৈ বৃদ্ধি কৰাৰ ফলত শ্ৰীনগৰ উপত্যকা আৰু লাডাখৰ মাজত সুচল যোগাযোগ নিশ্চিত হ'ব। উন্নত যোগাযোগ ব্যৱস্থাই প্ৰতিৰক্ষা বাহিনীৰ বাবে ৰচদ-পাতি যোগান সুচল কৰাৰ উপৰি অৰ্থনৈতিক বিকাশ আৰু জম্মু-কাশ্মীৰ আৰু লাডাখত আৰ্থ-সামাজিক ক্ষেত্ৰত সম্প্ৰীতিও বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি দুদিনীয়া ভ্ৰমণসূচীৰে স্পেইন ৰাওনা হ'ব। মন্ত্ৰীগৰাকীৰ বাবে এয়া হ'ব তেওঁৰ প্ৰথম স্পেইন ভ্ৰমণ। ভ্ৰমণকালত ড০ জয়শংকৰে স্পেইনৰ নেতৃবৰ্গক সাক্ষাৎ কৰাৰ লগতে স্পেইনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মেনুৱেল আলবেৰাছৰ সৈতেও দ্বিপাক্ষিক সম্পৰ্কৰ লগতে পাৰস্পৰিক স্বাৰ্থ আৰু সাম্প্ৰতিক বিশ্বৰ বিষয়সমূহৰ ওপৰত আলোচনা কৰিব। তেওঁ স্পেইনৰ ৰাষ্ট্ৰদূতৰ নৱম বাৰ্ষিক সন্মিলনত ভাষণ দিব আৰু ভাৰতীয় মূলৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত ড'নাল্ড ট্ৰাম্পৰ শপতগ্ৰহণ অনুষ্ঠানত ভাৰত চৰকাৰক প্ৰতিনিধিত্ব কৰিব। অহা ২০ জানুৱাৰীত ডোনাল্ড ট্ৰাম্পে আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰিব। এই ভ্ৰমণকালত ড০ জয়শংকৰে ট্ৰাম্প প্ৰশাসনৰ প্ৰতিনিধি আৰু অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০

থাইলেণ্ডৰ বেংককত আজিৰে পৰা পঞ্চম আছিয়ান ডিজিটেল বিষয়ক মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত ডিজিটেল নীতিৰ বাবে দায়বদ্ধ আছিয়ান মন্ত্ৰীসকলে একেলগে অঞ্চলটোৰ ডিজিটেল ভৱিষ্যতৰ বিষয়ে আলোচনা কৰাৰ লগতে ভাৰত, চীন, জাপান, দক্ষিণ কোৰিয়া আৰু আমেৰিকাকে ধৰি অংশীদাৰ দেশসমূহৰ সৈতে সহযোগিতা বৃদ্ধি কৰা হ'ব। বৈঠকৰ এই বছৰৰ বিষয়বস্তু হৈছে- **নিৰাপদ, উদ্ভাৱনীমূলক, অন্তকৰণৰ দ্বাৰা আছিয়ানৰ ডিজিটেল ভৱিষ্যত গঢ় দিয়া**। এই বৈঠকত সীমান্তৰ গোপনীয়তা, ডিজিটেল পৰিচয় পৰীক্ষণ ব্যৱস্থা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰতো আলোকপাত কৰা হ'ব।

০০০০০

মহাৰাষ্ট্ৰৰ নাচিকৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উৰণ সেঁতুত কালি নিশা সংঘটিত এটা দুৰ্ঘটনাত কমেও ৬ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আন ৫ গৰাকী লোক গুৰুতৰভাৱে আহত হয়। টেম্প' আৰু ট্ৰাকৰ মাজত হোৱা সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হৈছে বুলি নাচিক আৰক্ষীয়ে জানিবলৈ দিয়ে। আহত ৫ গৰাকীক চিকিৎসাৰ বাবে জিলা হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে যদিও ইয়াৰে দুগৰাকীৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **যক্ষ্মা মুক্ত ভাৰত** সন্দৰ্ভত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ উপ-সঞ্চালকপ্ৰধান অধ্যাপক উৰ্বশী বি সিঙৰ সৈতে হোৱা এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত 011-2342 1050 আৰু 011-2331 4444 নম্বৰত ফোন কৰি যক্ষ্মা ৰোগ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০-৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেচটেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুবিধ পাৰিব।

০০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি প্ৰথমবাৰৰ বাবে খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ'ব। ভাৰতীয় অলিম্পিক সংস্থাৰ সহযোগত এই উদ্বোধনী সংস্কৰণত ২০টা পুৰুষৰ দল আৰু ১৯টা মহিলাৰ দৰে অংশগ্ৰহণ কৰিছে। ভাৰতীয় খো খো ফেডাৰচনে এই প্ৰতিযোগিতাৰ বাবে পুৰুষ আৰু মহিলাৰ পৃথকে পৃথকে ১৫ জনীয়া দল ঘোষণা কৰিছে। প্ৰতীক ৱাইকাই নেতৃত্ব দিবলগীয়া ভাৰতীয় পুৰুষৰ দলটো নেপাল, পেৰু, ব্ৰাজিল আৰু ভূটানৰ সৈতে গ্ৰুপ-এত আছে। প্ৰিয়ংকা ইংলেৰ নেতৃত্ব মহিলা দলটো ইৰাণ, মালয়েছিয়া আৰু কোৰিয়াৰ সৈতে গ্ৰুপ-এত আছে। খো খো বিশ্বকাপৰ চূড়ান্ত খেলখন অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ'ব। আজি

নিশা চাৰে ৮ বজাত ভাৰতৰ পুৰুষৰ দলটোৱে নেপালৰ বিৰুদ্ধে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। দূৰদৰ্শনৰ ডি ডি স্পৰ্টছ্ খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব।

ooooo

ফুটবলৰ ইণ্ডিয়ান ছুপাৰ লীগত কালি জামছেদপুৰ এফ চিয়ে মুম্বাই চিটী এফ চি ৩-০ লগত পৰাস্ত কৰে। জামছেদপুৰ এফ চিৰ হৈ মহম্মদ ছানান, জৰ্দান মুৰে আৰু জভী হাৰ্নাণ্ডেজে এটাকৈ গ'ল দিয়ে। এই জয়ৰ সৈতে পইণ্টছ্ তালিকাত জামছেদপুৰ এফ চি তিনি নম্বৰলৈ উন্নীত হয়। আজি কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত ঘৰুৱা দল কেৰালাই ব্লাষ্টাৰ্ছ এফ চি, ওড়িশা এফ চিৰ মুখামুখি হ'ব। খেলখন আজি নিশা চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত